# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 24-FEB-2026
**Time :** 1845 HRS

# *Assamese Evening Bulletin*
## Headlines
-------------------
ooooo

১। বোকাজান আৰু মৰিয়নীৰ আত্মসহায়ক গোটৰ মহিলাসকলক উদ্যমিতা আঁচনিৰ প্ৰাৰম্ভিক পুঁজি বিতৰণ।

২। সাংসদ গৌৰৱ গগৈক ভাৰত-ফিলিপাইনছ মৈত্ৰীগোটৰ দায়িত্ব।

৩। বাংলাদেশৰ শেহতীয়া ৰাজনৈতিক ঘটনাক্ৰমৰ পৰিপ্ৰেক্ষিতত আগৰতলাৰ পৰা ঢাকা হৈ কলকাতালৈ যাত্ৰী বাছ সেৱা আজি পুনৰ আৰম্ভ।

৪। কোকৰাঝাৰৰ বডোফা নগৰৰ বিধায়িনী ভৱনত আজি বিটিচিৰ এদিনীয়া বাজেট অধিৱেশন।

**আৰু**

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইটৰ এখন খেলত ক্ষন্তেক পাছতে ইংলেণ্ড আৰু পাকিস্তান মুখামুখি।

ooooo

মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ অধীনত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাৰ্বি আংলং জিলাত আত্মসহায়ক গোটৰ ১৭ হাজাৰ ৩৯৮ গৰাকী মহিলাক ১০ হাজাৰ টকাকৈ প্ৰাৰম্ভিক মূলধন বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। বোকাজানৰ হানজাংলাংছ' ষ্টেডিয়ামত আয়োজিত অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰী মহিলাসকলৰ আৰ্থিক সবলীকৰণৰ বাবে এই আঁচনি ৰূপায়ণ কৰা হৈছে বুলি উল্লেখ কৰে। এই আঁচনিৰ জৰিয়তে মহিলাসকল লাখপতি বাইদেউ হিচাপে গঢ়ি তোলাৰ লক্ষ্য লোৱা হৈছে বুলি তেওঁ উল্লেখ কৰে।

অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ড° তুলিৰাম ৰংহাং, ক্ৰীড়া আৰু যুৱকল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোছা, অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিন আৰু ডিফু সমষ্টিৰ সাংসদ অমৰ সিং টিছ' উপস্থিত থাকে। মুখ্যমন্ত্ৰীয়ে ইয়াৰ পাছতে ১২ কোটি ৫০ লাখ টকা ব্যয়েৰে নিৰ্মিত খটখটি মিনি ষ্টেডিয়াম আৰু বোকাজান বিধানসভা সমষ্টিৰ বালিপথাৰ, চিলনীজান, বৰপথাৰ আৰু হিদিপিত সাপ্তাহিক বজাৰ প্ৰকল্প উদ্বোধন কৰিব।

মুখ্যমন্ত্ৰীয়ে আজি বিয়লি মহিলা উদ্যমিতা অভিযানৰ অধীনত যোৰহাট জিলাৰ মৰিয়নিত মহিলা হিতাধিকাৰীসকলক ধন বিতৰণ কৰে। সমষ্টিটোৰ ২৯ হাজাৰ ৩১৮ গৰাকী মহিলাক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰা হয়। মুখ্যমন্ত্ৰীয়ে ৫৬ কোটি টকা ব্যয়সাপেক্ষে মৰিয়নী সমষ্টিত কেইবাটাও প্ৰকল্প উদ্বোধন কৰে। ড০ শৰ্মাই ৯টা জগন্নাথ সামূহিক আৰু দক্ষতা বিকাশ কেন্দ্ৰ, ললিত চন্দ্ৰ ৰাজখোৱা মিনি ষ্টেডিয়াম, বাপুজী মিনি

ষ্টেডিয়াম, দুখন আৰ চি চি দলং, মৰিয়নী থানাৰ নতুন ভৱন আৰু এটা মিশ্র গোটা আৱৰ্জনা পৃথকীকৰণ প্রকল্প উদ্বোধন কৰে। সাংবাদিকৰ আগত মুখ্যমন্ত্রীয়ে এইদৰে কয়-

বাইট (চি এম)

০০০০০

**লোকসভাৰ অধ্যক্ষ ওম বিৰলা ই বিশ্বৰ ৬৪ খন ৰাষ্ট্ৰৰ সৈতে কূটনৈতিক আৰু বন্ধুত্বপূৰ্ণ সম্পৰ্ক সুদৃঢ় কৰাৰ লক্ষ্যৰে লোকসভাৰ সদস্যসকলক লৈ কেইবাটাও গোট গঠন কৰিছে।প্ৰতিনিধি দলসমূহৰ ভিতৰত ফিলিপাইনছলৈ যাবলগীয়া দলটোৰ নেতৃত্বৰ দায়িত্ব লোকসভাত বিৰোধী পক্ষৰ উপ-দলপতি গৌৰৱ গগৈক দিয়া হৈছে। অধ্যক্ষ ওম বিৰলাইইতিমধ্যে গৌৰৱ গগৈলৈ এই সন্দৰ্ভত পত্ৰ প্ৰেৰণ কৰিছে।**

০০০০০

চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ শেহতীয়া ৰাজনৈতিক ঘটনাক্ৰমৰ পৰিপ্ৰেক্ষিতত আগৰতলাৰ পৰা ঢাকা হৈ কলকাতালৈ যাত্ৰী বাছ সেৱা আজি পুনৰ আৰম্ভ কৰা হয়। ত্ৰিপুৰাৰ পৰিবহন আৰু পৰ্যটন মন্ত্ৰী সুশান্ত চৌধুৰী আৰু ত্ৰিপুৰা পথ পৰিবহন নিগমৰ অধ্যক্ষ সমৰ ৰয়ে যাত্ৰীসকলক আনুষ্ঠানিকভাৱে আদৰণি জনায়। পৰিবহন মন্ত্ৰী শ্ৰীচৌধুৰীয়ে এই বাছ সেৱা পুনৰ আৰম্ভ কৰাক লৈ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ লগতে দ্বিপাক্ষিক বাণিজ্য আৰু পৰ্যটনসহ সামগ্ৰিক সম্পৰ্ক সন্দৰ্ভত বাংলাদেশৰ নৱ নিৰ্বাচিত চৰকাৰৰ ভূমিকাক লৈ আশা প্ৰকাশ কৰে। বিষয়াসকলে কয় যে বহুপ্ৰত্যাশিত আগৰতলা-ঢাকা-কলকাতা আন্তঃৰাষ্ট্ৰীয় বাছ সেৱা পুনৰ আৰম্ভ হোৱাৰ ফলত সীমান্তৰে হোৱা বাণিজ্য আৰু পৰ্যটন বৃদ্ধি পাব।

কলকাতাৰ পৰা অহা যাত্ৰীসকলে কয় যে বাছ সেৱা পুনৰ আৰম্ভ কৰাৰ ফলত তেওঁলোক উপকৃত হৈছে। তেওঁলোকে লগতে যাত্ৰা সুকলমে সম্পন্ন হোৱাক লৈ আনন্দ প্ৰকাশ কৰে।

০০০০০০০

কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী কমলেশ পাছোৱানে আজি দুদিনীয়া ভ্ৰমণসূচীৰে মাজুলীত উপস্থিত হয়। তেওঁ প্ৰথমে সংহত আয়ুক্ত কাৰ্যালয়ত জিলাখনৰ প্ৰতিটো বিভাগৰ মুৰব্বীসকলৰ সৈতে জিলাখনত ৰূপায়ণ হৈ থকা আঁচনিসমূহৰ সন্দৰ্ভত পৰ্যালোচনা কৰে। ইয়াৰ পাছত তেওঁ প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ কেইবাটাও গৃহ পৰিদৰ্শন কৰি হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰে। পৰৱৰ্তী সময়ত তেওঁ জিলা চিকিৎসালয় পৰিদৰ্শন কৰি চিকিৎসা কৰ্মীসকলৰ সৈতে বৈঠকত মিলিত হয়। ইয়াৰ লগতে তেওঁ পি এম জি এছ ৱাইৰ অধীনত নিৰ্মিত কেইবাটাও পথ পৰিদৰ্শন কৰে।

**বাইট (কমলেশ পাছোৱান)**

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কাইলৈ সংহত আয়ুক্ত কাৰ্যালয়ত বিকশিত ভাৰত গ্ৰামীণ নিয়োগ নিশ্চিতকৰণ শীৰ্ষক আলোচনা চক্ৰত অংশগ্ৰহণ কৰিব।

০০০০০০০

বি টি চিৰ এদিনীয়া বাজেট অধিবেশন আজি কোকৰাঝাৰৰ বড়োফা নগৰৰ বিধায়িনী ভৱনত সম্পন্ন হয়। ত্ৰিদিপ দৈমাৰীৰ অধ্যক্ষতাত অনুষ্ঠিত এই অধিবেশন প্ৰশ্নোত্তৰ শিতানেৰে আৰম্ভ হয়।

বাইট

প্ৰশ্নোত্তৰ কালত শাসকীয় আৰু বিৰোধী পক্ষৰ সদস্যসকলে জনস্বাস্থ্য কাৰিকৰী, ভৈয়াম জনজাতি আৰু পিচপৰা শ্ৰেণীৰ কল্যাণ, হাতী-মানুহৰ সংঘাত, কৃষি, শিক্ষা, ৰাজহ আৰু ভূমিৰ সৈতে বিষয়সমূহক লৈ প্ৰশ্ন উত্থাপন কৰে। ইয়াৰ পাছত বি টি চিৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে সদনত ২০২৬ বৰ্ষৰ লেখানুদান দাখিল কৰে। ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজিৰ পৰা আবণ্টিত ধন আৰু বি টি চিৰ নিজস্ব ৰাজহ উৎসৰ পৰা সংগ্ৰহিত ধনেৰে সাধাৰণ বাজেটৰ অধীনত ১০১ কোটি ২০ লাখ টকাৰ পৰিপূৰক দাবী মঞ্জুৰি উত্থাপন কৰা হয়। ইয়াৰ পাছতে সদস্যসকলে লেখানুদানক লৈ আলোচনা কৰে আৰু গ্ৰহণ কৰে। অধিবেশনত অধ্যক্ষই বাজেট অধিবেশনৰ বাবে বি টি চি বিধায়িনী সভাৰ কাৰ্যক্ৰমণিকা নিয়মাৱলীৰ ২৩০ নম্বৰৰ অধীনত কাৰ্যক্ৰমণিকা কমিটীৰ প্ৰতিবেদন ঘোষণা কৰে।

০০০০০০০

বি টি চিৰ এদিনীয়া বাজেট অধিবেশন আজি কোকৰাঝাৰৰ বডোফা নগৰৰ বিধায়িনী ভৱনত সম্পন্ন হয়। ত্ৰিদিপ দৈমাৰীৰ অধ্যক্ষতাত অনুষ্ঠিত এই অধিবেশন প্ৰশ্নোত্তৰ শিতানেৰে আৰম্ভ হয়।

বাইট

প্ৰশ্নোত্তৰ কালত শাসকীয় আৰু বিৰোধী পক্ষৰ সদস্যসকলে জনস্বাস্থ্য কাৰিকৰী, ভৈয়াম জনজাতি আৰু পিচপৰা শ্ৰেণীৰ কল্যাণ, হাতী-মানুহৰ সংঘাত, কৃষি, শিক্ষা, ৰাজহ আৰু ভূমিৰ সৈতে বিষয়সমূহক লৈ প্ৰশ্ন উত্থাপন কৰে। ইয়াৰ পাছত বি টি চিৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে সদনত ২০২৬ বৰ্ষৰ লেখানুদান দাখিল কৰে। ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজিৰ পৰা আবণ্টিত ধন আৰু বি টি চিৰ নিজস্ব ৰাজহ উৎসৰ পৰা সংগ্ৰহিত ধনেৰে সাধাৰণ বাজেটৰ অধীনত ১০১ কোটি ২০ লাখ টকাৰ পৰিপূৰক দাবী মঞ্জুৰি উত্থাপন কৰা হয়। ইয়াৰ পাছতে সদস্যসকলে লেখানুদানক লৈ আলোচনা কৰে আৰু গ্ৰহণ কৰে। অধিবেশনত অধ্যক্ষই বাজেট অধিবেশনৰ বাবে বি টি চি বিধায়িনী সভাৰ কাৰ্যক্ৰমণিকা নিয়মাৱলীৰ ২৩০ নম্বৰৰ অধীনত কাৰ্যক্ৰমণিকা কমিটীৰ প্ৰতিবেদন ঘোষণা কৰে।

০০০০০০০

বৰপেটা সত্ৰত অহা ২ মাৰ্চৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে শ্ৰীশ্ৰীকৃষ্ণৰ দৌল মহোৎসৱৰ আয়োজন কৰা হ'ব। দৌল মহোৎসৱৰ বাবে ইতিমধ্যে সত্ৰখনত যাৱতীয় প্ৰস্তুতি গ্ৰহণ কৰা হৈছে। ২ মাৰ্চৰ সন্ধিয়া গোন্ধ যাত্ৰা কাৰ্যসূচীৰে এই মহোৎসৱৰ শুভাৰম্ভ কৰা হ'ব। নক্ষত্ৰ গণনা অনুসৰি এইবেলি ভৰদৌল ৬ মাৰ্চৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে উদযাপন কৰা হ'ব বুলি বুঢ়াসত্ৰীয়া ড০ বাবুল চন্দ্ৰ দাসে প্ৰকাশ কৰিছে। অহা ৬ মাৰ্চত বৰপেটাৰ বিখ্যাত হোলী উৎসৱ অনুষ্ঠিত হ'ব। দৌল মহোৎসৱ উপলক্ষে সত্ৰৰ চৌহদ চাফ-চিকুণ কৰাৰ লগতে অন্যান্য সকলো প্ৰস্তুতি গ্ৰহণ কৰা হৈছে।

০০০০০০০

দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই দৰং জিলাৰ মঙলদৈ পৌৰসভাৰ নৱনিৰ্মিত কাৰ্যালয় ভৱন আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। আঢ়ৈ কোটি টকা ব্যয়েৰে এই ভৱনটো নিৰ্মাণ কৰা হৈছে। উদ্বোধনী ভাষণত সাংসদগৰাকীয়ে আধুনিক আন্তঃগাঁথনি কাৰ্যালয় ভৱনটোৰ জৰিয়তে পৌৰসভা কৰ্তৃপক্ষৰ দীৰ্ঘদিনীয়া অভাৱ দূৰ হ'ব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানত মঙলদৈৰ বিধায়ক বসন্ত দাস, জিলা আয়ুক্ত পূবালী গোঁহাইকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সাংসদগৰাকীয়ে লগতে দৰং জিলা প্ৰশাসন আৰু জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ৰ উদ্যোগত জিলাখনৰ মঙলদৈ নাট্যমন্দিৰত আয়োজিত এটা

কাৰ্যসূচীত বিভিন্ন প্ৰতিষ্ঠানৰ মাজত ক্ৰিকেট খেলৰ সামগ্ৰী বিতৰণ কৰে। জিলাখনৰ সংখ্যালঘু বসতিপ্ৰধান এলেকাৰ মুঠ ১০৭টা ক্ৰীড়া সংঘৰ মাজত এই সামগ্ৰীসমূহ বিতৰণ কৰা হয়।

oooooooo

ৰাজ্যৰ শিক্ষা বিভাগৰ বিশেষ পদক্ষেপৰ অংশ হিচাপে আজি মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত চাইকেল বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। ৰাজ্যৰ পৰিবহন আৰু পাৰ্বত্য অঞ্চল উন্নয়ন মন্ত্ৰী যোগেন মহনে বিদ্যালয়খনৰ ১০৭গৰাকী শিক্ষাৰ্থীৰ মাজত চাইকেল বিতৰণ কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে চৰকাৰৰ এই পদক্ষেপে দূৰণিবটীয়া শিক্ষাৰ্থীসকলৰ যাতায়াতৰ অসুবিধা দূৰ কৰি তেওঁলোকক নিয়মিতভাৱে বিদ্যালয়লৈ আহিবলৈ উৎসাহিত কৰিব বুলি আশা প্ৰকাশ কৰে।

oooooooo

সেনাবাহিনীত যোগদান কৰিবলৈ আগ্ৰহী শ্ৰীভূমি জিলাৰ যুৱক-যুৱতীসকলক অগ্নিবীৰ নিযুক্তিৰ বাবে অনলাইনযোগে পঞ্জীয়ন কৰিবলৈ আহ্বান জনোৱা হৈছে। ইচ্ছুক প্ৰাৰ্থীসকলে অহা ১ এপ্ৰিলৰ ভিতৰত আবেদন কৰিব লাগিব। অগ্নিবীৰ জেনেৰেল ডিউটি, অগ্নিবীৰ ক্লাৰ্ক, অগ্নিবীৰ ট্ৰেডছমেন, অগ্নিবীৰ মিলিটাৰী পুলিচ, চিপাহী ফাৰ্মা আৰু ছ'লজাৰ টেকনিকেল পদত এই আবেদন বিচৰা হৈছে। বয়স আৰু শিক্ষাগত অৰ্হতা অনুসৰি প্ৰাৰ্থীৰ বয়স ১৭ বছৰ ৬ মাহৰ পৰা ২২ বছৰ হ'ব লাগিব। ইচ্ছুক প্ৰাৰ্থীসকলে সেনাৰ অফিচিয়েল ৱেবছাইটযোগে আবেদন জনাব পাৰিব।

ooooooo

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ষষ্ঠ সংযোজনৰ অন্তৰ্গত বিশ্বনাথ জিলাৰ মোনাবাৰীত আজি পূৰা এটা ঢেকিয়াপতীয়া বাঘৰ মৃতদেহ উদ্ধাৰ কৰা হয়। আমাৰ বিশ্বনাথৰ সংবাদদাতাই জনোৱা মতে লাহৰীজান বন শিবিৰৰ বনৰক্ষীয়ে তহল দি থকা সময়তে মৃত বাঘটো প্ৰত্যক্ষ কৰে। বাঘটোৰ কমেও ১০ দিন পূৰ্বে বয়সজনিত কাৰণত মৃত্যু হৈছে বুলি বন বিভাগে প্ৰকাশ কৰিছে।

ooooooo

গুৱাহাটীৰ আৰ্য বিদ্যাপীঠ মহাবিদ্যালয় খেলপথাৰত পৰহিলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ফীট ইণ্ডিয়া মহোৎসৱ অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৯ চনৰ ২৯ আগষ্টত শুভাৰম্ভ কৰা ফীট ইণ্ডিয়া আন্দোলনৰ জৰিয়তে শাৰিৰীক সুস্থতাৰ বিষয়টো দৈনন্দিন জীৱনৰ অবিচ্ছেদ্য অংগ কৰি লোৱাৰ আৰু শাৰিৰীকভাৱে অধিক সক্ৰিয় সমাজৰ প্ৰসাৰ কৰিব খোজা হৈছে। যোৱা বছৰ নতুন দিল্লীত অনুষ্ঠিত ফীট ইণ্ডিয়া মহোৎসৱৰ প্ৰতি জনসাধাৰণৰ বিপুল সঁহাৰিলৈ চাই দেশৰ বিভিন্ন ঠাইলৈ এই মহোৎসৱৰ সম্প্ৰসাৰণ কৰা হৈছে। এই ৰাষ্ট্ৰজোৰা জনসম্পৰ্ক অভিযানৰ অংশ হিচাপে ভাৰতীয় খেল প্ৰাধিকৰণৰ গুৱাহাটী শাখাই উত্তৰ পূৰ্বাঞ্চলৰ সাংস্কৃতিক বৈচিত্ৰ্যৰ সৈতে শাৰিৰীক সুস্থতাৰ সমাহাৰেৰে সুকীয়া আঞ্চলিক বৈশিষ্ট্যৰ সৈতে এই মহোৎসৱৰ আয়োজন কৰিছে। মহোৎসৱত জুম্বা, যোগ কৰ্মশালা, পৰম্পৰাগত খেল-ধেমালিকে ধৰি বিভিন্ন বয়সৰ লোকৰ বাবে ভিন ভিন সত্ৰৰ আয়োজন কৰা হ'ব। মহোৎসৱৰ সৈতে সংগতি ৰাখি উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হ'ব।

ooooooo

আইচিচি টি-২০ বিশ্বকাপ ক্রিকেট প্রতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ গ্ৰুপ-টুৰ এখন খেলত আজি ক্ষন্তেক পাছতে পাকিস্তান ইংলেণ্ডৰ মুখামুখি হ'ব। শ্ৰীলংকাৰ পাল্লেকেলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া খেলখন পাকিস্তানে টছত জয়ী হৈ প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লয়।

০০০০০০০

সমাপ্ত